**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 19-07-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পশ্চিমবংগক অনুপ্ৰেৰণাৰে ভৰপূৰ এখন ৰাজ্য আৰু ঔদ্যোগিক বিকাশৰ ক্ষেত্ৰত ৰাজ্যখনৰ অসীম সম্ভাৱনা আছে বুলি মন্তব্য কৰিছে।

২। দেশৰ প্ৰথমটো থলুৱাভাৱে নিৰ্মিত ছেমিকণ্ডাক্টৰ চীপ চলিত বৰ্ষতে মুকলি কৰা হ'ব বুলি কেন্দ্ৰীয় বৈদ্যুতিন আৰু তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে প্ৰকাশ কৰিছে।

৩। অহা সোমবাৰৰ পৰা হ'বলগীয়া সংসদৰ বৰ্ষাকালীন অধিৱেশনৰ পূৰ্বে চৰকাৰে কাইলৈ এখন সৰ্বদলীয় বৈঠকৰ আহ্বান কৰিছে।

৪। চত্তিশগড়ৰ নাৰায়ণপুৰ জিলাত কালি নিৰাপত্তাবাহিনীৰ সৈতে হোৱা সংঘৰ্ষত ছজন মাওবাদী নিহত হয়। ***আৰু***

৫। ভাৰতৰ মহিলা মল্লযুঁজাৰুসকলে হাংগেৰীৰ বুদাপেষ্টত অনুষ্ঠিত পল্যাক ইম্ৰী আৰু ভাৰ্গা জানুছ মেম'ৰিয়েল প্ৰতিযোগিতাত দুটা সোণ, এটা ৰূপ আৰু এটা ব্ৰঞ্জসহ মুঠ চাৰিটা পদক জয় কৰিছে।

ooooo

পশ্চিমবংগ হৈছে অনুপ্ৰেৰণাৰে ভৰপূৰ এখন ৰাজ্য আৰু ঔদ্যোগিক বিকাশৰ ক্ষেত্ৰত ৰাজ্যখনৰ অসীম সম্ভাৱনা আছে। পশ্চিমবংগৰ দুৰ্গাপুৰত কালি বিজেপিৰ পৰিৱৰ্তন সংকল্প সভাত অংশ লৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এইদৰে প্ৰকাশ কৰে। দেশৰ প্ৰথমগৰাকী উদ্যোগ মন্ত্ৰী শ্যামাপ্ৰসাদ মুখাৰ্জীকে ধৰি ৰাজ্যখনৰ উত্তৰসূৰীৰ কথা উল্লেখ কৰি শ্ৰীমোদীয়ে কয়, যে বিজেপিৰ নেতৃত্বত পশ্চিমবংগ ব্যৱসায় আৰু উৎপাদন খণ্ডত অগ্ৰণী ৰাজ্য হিচাপে পৰিচিত হ'ব পাৰিব। তেওঁ তৃণমূল কংগ্ৰেছ চৰকাৰৰ সমালোচনা কৰি কয়, যে এই চৰকাৰখনে **হৰ ঘৰ জল** আৰু **আয়ুষ্মান ভাৰতৰ** দৰে কেন্দ্ৰীয় চৰকাৰৰ আঁচনিসমূহ আওকান কৰি ৰাজ্যখনৰ বিকাশত বাধাৰ সৃষ্টি কৰিছে। শ্ৰীমোদীয়ে শেহতীয়াকৈ মুৰ্ছিদাবাদৰ হিংসাত্মক ঘটনাৰ কথা উল্লেখ কৰি নিৰাপত্তাৰ বিষয়ত আলোকপাত কৰে। ঔদ্যোগিক বিনিয়োগকাৰীসকলে এই অশান্ত পৰিস্থিতিৰ বাবে ৰাজ্যখনত বিনিয়োগ কৰিবলৈ দ্বিধাবোধ কৰে বুলিও তেওঁ অভিযোগ কৰে। তেওঁ লগতে তৃণমূল কংগ্ৰেছৰ ভোটবেংক ৰাজনীতি কৰে বুলি অভিযোগ কৰি শিক্ষাৰ ক্ষেত্ৰত দুৰ্নীতি, মহিলাৰ নিৰাপত্তা আৰু অবৈধ অনুপ্ৰৱেশকাৰীৰ সমস্যাক লৈ উদ্বেগ প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে কালি ৰাজ্যখনত ৫ হাজাৰ কোটিৰো অধিক টকা ব্যয় সাপেক্ষে ভালেমান উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে।

ooooo

কেন্দ্ৰীয় বৈদ্যুতিন আৰু তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয়, যে দেশৰ প্ৰথমটো থলুৱাভাৱে নিৰ্মিত ছেমিকণ্ডাক্টৰ চীপ চলিত বৰ্ষতে মুকলি কৰা হ'ব। হায়দৰাবাদৰ কেশৱ মেম'ৰিয়েল শৈক্ষিক সমাজৰ ৮৫ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে আয়োজিত কাৰ্যসূচীত ভাষণ দি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে ভাৰত বিশ্বৰ ভিতৰতে এখন গুৰুত্বপূৰ্ণ ছেমিকণ্ডাক্টৰ ৰাষ্ট্ৰ হ'বলৈ গৈ আছে। চৰকাৰে ইতিমধ্যে ছটা ছেমিকণ্ডাক্টৰ

প্ৰকল্পত অনুমোদন জনাইছে আৰু এই প্ৰকল্পসমূহৰ কাম চলি আছে বুলি তেওঁ জানিবলৈ দিয়ে। শ্ৰীবৈষ্ণৱে লগতে কয়, ইণ্ডিয়া এ-আই মিছনৰ অংশ হিচাপে বিনামূলীয়া ডাটাছেট আৰু অন্যান্য সামগ্ৰীক আপলোড কৰা হৈছে। কৃত্ৰিম বুদ্ধিমত্তাৰ ব্যৱহাৰৰ বাবে প্ৰায় এক লাখ লোকক প্ৰশিক্ষণ দিয়া হৈছে বুলি তেওঁ কয়, যে ২০৪৭ চনৰ ভিতৰত ভাৰতে বিশ্বৰ দুখন শীৰ্ষ অৰ্থনীতিৰ দেশৰ ভিতৰত স্থান লাভ কৰিব। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক ক্ষীপ্ৰভাৱে পৰিৱৰ্তনশীল গোলকীয় অৰ্থনীতি আৰু প্ৰযুক্তিগত ক্ষেত্ৰৰ প্ৰতি লক্ষ্য ৰাখি প্ৰযুক্তিৰ সৰ্বাত্মক প্ৰয়োগ কৰিবলৈ আহ্বান জনায়। অনুষ্ঠানত কেন্দ্ৰীয় কয়লা আৰু খনি দপ্তৰৰ মন্ত্ৰী জি কিষাণ ৰেড্ডী উপস্থিত থাকে।

ooooo

দক্ষিণ কোৰিয়াৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী কিম বু কিয়ুমৰ নেতৃত্বৰ এটা সংসদীয় প্ৰতিনিধি দলে কালি নতুন দিল্লীত লোকসভাৰ অধ্যক্ষ ওম বিৰলাক সাক্ষাৎ কৰে। বৈঠকত শ্ৰীবিৰলাই সন্ত্ৰাসবাদৰ বিৰুদ্ধে শূন্য সহনশীলতা নীতিৰ ক্ষেত্ৰত ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতাক দোহাৰে। লোকসভাৰ অধ্যক্ষগৰাকীয়ে প্ৰতিনিধি দলটোক অপাৰেচন সিন্দূৰৰ বিষয়ে অৱগত কৰি কয়, যে ভাৰতৰ এই অভিযান অতি সংযত, আৰু অপ্ৰৰোচনামূলক আছিল আৰু কেৱল সন্ত্ৰাসবাদী আন্তঃগাঁথনি ধবংস কৰি বিপদ নিষ্ক্ৰিয় কৰাৰ লক্ষ্যৰে এই অভিযান চলোৱা হৈছিল। শ্ৰীবিৰলাই সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰত যুঁজত কোৰিয়াৰ সমৰ্থন অব্যাহত থাকিব বুলি আশা প্ৰকাশ কৰে। পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণক গৰিহণা দিয়াৰ বাবে তেওঁ দেশখনক ধন্যবাদ জ্ঞাপন কৰাৰ আহমেদাবাদাৰ শেহতীয়া বিমান দুৰ্ঘটনাত নিহতসকলৰ প্ৰতি সমবেদনা জনাই বাৰ্তা প্ৰেৰণ কৰাৰ বাবে কোৰিয়ান নেচনেল এছেম্বিলিৰ অধ্যক্ষৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰে। লোকসভাৰ অধ্যক্ষগৰাকীয়ে কয়, যে বৃশ্বৰ সৰ্ববৃহৎ গণতন্ত্ৰ হিচাপে ভাৰতে গণতান্ত্ৰিক আদৰ্শৰ ক্ষেত্ৰত থকা প্ৰতিশ্ৰুতিবদ্ধতাক বিশেষভাৱে গুৰুত্ব দিয়ে।

ooooo

অহা সোমবাৰৰ পৰা হ'বলগীয়া সংসদৰ বৰ্ষাকালীন অধিৱেশনৰ পূৰ্বে চৰকাৰে কাইলৈ এখন সৰ্বদলীয় বৈঠকৰ আহ্বান কৰিছে। বৈঠকত চৰকাৰে সংসদৰ উভয় সদনৰ কাম-কাজ সুচাৰুৰূপে চলাই নিয়াৰ বাবে সকলো ৰাজনৈতিক দলৰ সহযোগিতা কামনা কৰিব। সংসদৰ বৰ্ষাকালীন অধিৱেশন অহা ২১ জুলাইত আৰম্ভ হ'ব আৰু ২১ আগষ্টত অন্ত পৰিব। এই অধিৱেশনৰ সময়ছোৱাত কেইবাখনো গুৰুত্বপূৰ্ণ বিধেয়কক লৈ সদনত আলোচনা হ'ব।

ooooo

চত্তিশগড়ৰ নাৰায়ণপুৰ জিলাত কালি নিৰাপত্তাবাহিনীৰ সৈতে হোৱা সংঘৰ্ষত ছজন মাওবাদী নিহত হয়। বাষ্টৰ খণ্ডৰ আৰক্ষী মহাপৰিদৰ্শক পি সুন্দৰৰাজে প্ৰকাশ কৰা মতে এটা গোপন সূত্ৰৰ পম খেদি নিৰাপত্তাবাহিনীৰ যুটীয়া দলে বৃহস্পতিবাৰে বিয়লি অবুজমাদ এলেকাৰ বনাঞ্চলত মাওবাদী বিৰোধী অভিযান চলোৱাৰ সময়ত দুয়োপক্ষৰ মাজত গুলীয়াগুলি চলে। পাছত অঞ্চলটোৰ পৰা ছজন মাওবাদীৰ মৃতদেহ উদ্ধাৰ কৰাৰ উপৰি এ কে-৪৭ ৰাইফলকে ধৰি বুজন পৰিমাণৰ অস্ত্ৰ-শস্ত্ৰ জব্দ কৰা হয়।

ooooo

আন্তঃৰাষ্ট্ৰীয় সামুদ্ৰিক সীমাৰেখা পাৰ হৈ বাংলাদেশৰ জলখণ্ডত মাছ ধৰাৰ অভিযোগত মংগলাৰ সমীপৰ পৰা দুখন মাছধৰা নাওসহ ৩৪ গৰাকী ভাৰতীয় মাছমৰীয়াক বাংলাদেশৰ কৰ্তৃপক্ষই আটক কৰিছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰ্যালয়ে কয়, যে ঘটনা সন্দৰ্ভত তথ্য লাভ কৰাৰ লগে লগে বাংলাদেশত থকা

ভাৰতীয় উচ্চায়ুক্তই বাংলাদেশ কৰ্তৃপক্ষৰ সৈতে কূটনৈতিক মাধ্যমেৰে যোগাযোগ কৰিছে। নাওসহ মাছমৰীয়াসকলক নিৰাপদে আৰু শীঘ্ৰেই ওভতাই অনাৰ বাবে চেষ্টা অব্যাহত আছে বুলি বিভাগীয় সূত্ৰই প্ৰকাশ কৰিছে।

OOOOO

ভাৰতৰ ৰাষ্ট্ৰীয় ৰাইফল এছ'চিয়েচনৰ সভাপতি কালিকেশ নাৰায়ণ সিং দেওক আন্তঃৰাষ্ট্ৰীয় শ্যুটিং স্পৰ্টছ ফেডাৰেচনৰ ই-স্পৰ্টছ, ই-গেমছ আৰু প্ৰযুক্তিগত উদ্ভাৱন সমিতিৰ অধ্যক্ষ হিচাপে নিযুক্তি দিয়া হৈছে। জাৰ্মানীৰ মিউনিখত থকা মুখ্য কাৰ্যালয়ৰ আনুষ্ঠানিক পত্ৰৰ জৰিয়তে এই নিযুক্তি দিয়া হৈছে বুলি আন্তঃৰাষ্ট্ৰীয় শ্যুটিং স্পৰ্টছ ফেডাৰেচনে প্ৰকাশ কৰিছে। এই নিযুক্তিয়ে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত শ্যুটিঙৰ ক্ষেত্ৰখনত ভাৰতৰ যাত্ৰা আৰু অধিক ঊৰ্ধগামী কৰিব বুলি আশা কৰা হৈছে। ই-শ্যুটিং, উন্নত বিচাৰক, প্ৰশিক্ষণ প্ৰণালীকে আদি কৰি শ্যুটিঙত ডিজিটেল উদ্ভাৱনসমূহ অন্বেষণ কৰাত নতুন কমিটীয়ে গুৰুত্ব আৰোপ কৰিছে।

OOOOO

আমেৰিকাত পূব লছ এঞ্জেলছৰ এটা প্ৰশিক্ষণ কেন্দ্ৰত কালি সংঘটিত এটা বিস্ফোৰণৰ ফলত লছ এঞ্জেলছ কাউন্টি শ্বেৰিফ বিভাগৰ তিনিগৰাকী জ্যেষ্ঠ বিষয়াৰ মৃত্যু হয়। বিভাগটোৰ বোমা স্কোয়াড আৰু অগ্নিনিৰ্বাপক সৰঞ্জাম থকা বিস্কাইলুজ চেণ্টাৰ একাডেমীত এই বিস্ফোৰণ সংঘটিত হয়। বিস্ফোৰণৰ প্ৰকৃত কাৰণ এতিয়াও পোহৰলৈ অহা নাই আৰু ঘটনা সন্দৰ্ভত তদন্ত অব্যাহত আছে বুলি বিভাগীয় সূত্ৰই প্ৰকাশ কৰিছে।

OOOOO

ভাৰতৰ মহিলা মল্লযুঁজাৰুসকলে হাংগেৰীৰ বুদাপেষ্টত অনুষ্ঠিত পল্য়াক ইম্ৰী আৰু বাৰ্গা জানুছ মেম'ৰিয়েল প্ৰতিযোগিতাত দুটা সোণ, এটা ৰূপ আৰু এটা ব্ৰঞ্জসহ মুঠ চাৰিটা পদক জয় কৰিছে। অলিম্পিক পদকবিজেতা অন্তিম পংঘলে ৫৩ কিলোগ্ৰাম শাখাত ৰাছিয়াৰ নাটালিয়া মালিছেভাক ৭-৪ পইণ্টৰ ব্যৱধানত পৰাস্ত কৰি সোণৰ পদক জয় কৰে। একেদৰে হৰ্ষিতাই ৭২ কিলোগ্ৰাম শাখাত চাৰিবাৰৰ এছিয়ান চেম্পিয়ন কাজাখস্তানৰ ঝামিলা বেকৰাৰ্জিন'ভাক ১০-০ পইণ্টৰ বৃহৎ ব্যৱধানত পৰাস্ত কৰি সোণৰ পদক জয় কৰে। ইপিনে ৫৭ কিলোগ্ৰাম শাখাৰ ফাইনেলত নেহা ছাংৱানে অলিম্পিক চেম্পিয়ন আমেৰিকাৰ হেলেন মৰৌলিষ্টৰ হাতত ৪-০ৰ ব্যৱধানত পৰাজিত হৈ ৰূপৰ পদকতে সন্তুষ্ট থাকিবলগীয়া হয়। ৫০ কিলোগ্ৰাম শাখাত নীলমে বেলাৰুছৰ কেচেনিয়া ষ্টেংকেভিছক পৰাস্ত কৰি ব্ৰঞ্জৰ পদক জয় কৰে। অৱশ্যে পুৰুষৰ ৭৪ কিলোগ্ৰাম শাখাত জয়দীপে কোৱাৰ্টাৰ ফাইনেল জয় কৰিবলৈ অসমৰ্থ হয়।

OOOOO

হায়দৰাবাদৰ গাচিবৌলী ইনড'ৰ ষ্টেডিয়ামত অহা ৩ আগষ্টৰ পৰা ১০ আগষ্টলৈ দ্বিতীয় মহিলা কাবাডী বিশ্বকাপ অনুষ্ঠিত হ'ব। ২০০৫ চনত এছিয়ান কাবাডী চেম্পিয়নশ্বিপৰ পাছত হায়দৰাবাদে প্ৰথমবাৰৰ বাবে আন্তঃৰাষ্ট্ৰীয় মহিলা কাবাডী প্ৰতিযোগিতাৰ আয়োজন কৰিছে। এই বিশ্বকাপত ১৪ খন দেশে অংশগ্ৰহণ কৰিব বুলি আশা কৰা হৈছে। ইতিমধ্যে আৰ্জেণ্টিনা, বাংলাদেশ, চাইনীজ টাইপেই, জাৰ্মানী, হোলেণ্ড, ইৰান, জাপান, কেনিয়া, নেপাল, থাইলেণ্ড, ওগান্দা, জঞ্জিবাৰ আৰু আয়োজক ভাৰতে প্ৰতিযোগিতাত অংশগ্ৰহণ নিশ্চিত কৰিছে। উল্লেখযোগ্য যে ২০১২ চনত প্ৰথমখন মহিলা কাবাডী বিশ্বকাপত ভাৰতে ইৰানক পৰাজিত কৰি চেম্পিয়নৰ খিতাপ জয় কৰিছিল।

ooooo

ফিডে মহিলা বিশ্বকাপত ভাৰতৰ গ্ৰেণ্ডমাষ্টাৰ ক'নেৰু হাম্পি, ডি হাৰিকা, আৰ বৈশালী আৰু আন্তঃৰাষ্ট্ৰীয় মাষ্টাৰ দিব্যা দেশমুখ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। প্ৰতিযোগিতাৰ শীৰ্ষৰ ৮ত চাৰিগৰাকী খেলুৱৈ প্ৰৱেশ কৰা প্ৰথমখন দেশ হিচাপে ভাৰতে ইতিহাস ৰচনা কৰিছে। জৰ্জিয়াৰ বাটুমিত অনুষ্ঠিত এই ফিডে মহিলা বিশ্বকাপত কালি চাৰিওগৰাকী খেলুৱৈয়ে টাইব্ৰেক খেলত জয়লাভ কৰি অন্তিম ৮ৰ পৰ্যায়ত প্ৰৱেশ কৰে। প্ৰতিযোগিতাৰ ফাইনেল খেলখন ভাৰত আৰু চীনৰ মাজত অনুষ্ঠিত হ'ব।

ooooo

সমাপ্ত